# Assam Goes Online (AGO)

**শ্ৰেণী:** ষষ্ঠ **বিষয়:** জ্যামিতি **বিষয়বস্তু:** প্ৰাথমিক জ্যামিতিক ধাৰণা

**শিক্ষণীয় উদ্দেশ্য:**

- ছাত্ৰ-ছাত্ৰীয়ে মৌলিক জ্যামিতিক আকৃতি আৰু ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জ্ঞান লাভ কৰিব।
- তেওঁলোকে চৌপাশৰ জ্যামিতিক আকাৰসমূহ আৰু ইয়াৰ প্ৰয়োগৰ বিষয়ে জ্ঞান লাভ কৰিব।

| দৈনিক ক্ৰম | সময় | ক্ৰিয়াকলাপ | সমল লিংক |
|---|---|---|---|
| ১ম দিন | ১০ মিনিট | ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ চৌপাশে নিৰীক্ষণ কৰিব আৰু তেওঁলোকে ভবা যিকোনো ১০ বিধ জ্যামিতিক আকৃতিৰ বস্তুৰ এখন তালিকা প্ৰস্তুত কৰিব। | . |

Supported By: TATA TRUSTS

*প্ৰস্তুতকৰ্তা:* চইফুল ইছলাম, আলিটাঙনী ছিনিয়ৰ মাদ্ৰাছা, নগাঁও, অসম; *সম্পাদনা:* শ্ৰাবন্তী বসাক, ITE Resource Team, TISS, মুম্বাই; *অনুবাদক:* নিতুমনি কলিতা, হিমাংশু লহকৰ, গ্ৰাম্য বিকাশ মঞ্চ, অসম

| | | | |
|---|---|---|---|
| | ৩০ মিনিট | • ছাত্ৰ-ছাত্ৰীয়ে ২ডাল সূতা বা ৰছী ল'ব। তেওঁলোকে সূতাৰ সহায়ত বিভিন্ন পোন ৰেখাৰ আকৃতি আৰু ভাজ থকা ৰেখাৰ আকৃতি বনাব। ফটো লৈ বা ছবি আঁকি শিক্ষক/অভিভাৱকক দেখাব।<br>• ছাত্ৰ-ছাত্ৰীয়ে কাঠি/জুইশলা কাঠিৰে বিভিন্ন জ্যামিতিক আকৃতি বনাব আৰু বহীত একেটা চিত্ৰ আঁকি নামৰ লগতে তাৰ ধৰ্ম লিখিব। তাৰ পিছত তেওঁলোকে শিক্ষক/অভিভাৱকক দেখাব।<br>• ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকে বনোৱা আকৃতিসমূহৰ লগত মিল থকা চৌপাশৰ বিভিন্ন বস্তু বিচাৰি উলিয়াই টোকাবহীত নাম লিখিব আৰু শিক্ষক/অভিভাৱকক দেখাব। ছাত্ৰ-ছাত্ৰীক কুণ্ডলীৰ আকাৰৰ (মহ খেদিবলৈ ব্যৱহাৰ কৰা কুণ্ডলীৰ নিচিনা, Mosquito coil) আৰু খাৰুৰ আকাৰৰ বস্তু সংগ্ৰহ কৰিবলৈ কোৱা হ'ব। কাগজত তাৰ চিত্ৰ অংকন কৰি দুয়োটা আকাৰৰ মাজত পাৰ্থক্য লিখিব কোৱা হ'ব। এনেধৰণৰ আকাৰৰ আন বস্তু নিৰীক্ষণ কৰি শিক্ষকৰ লগত ভাৱ বিনিময় কৰিব। | https://www.youtube.com/watch?v=UEL-KHbf5_0<br><br>এই লিংকটোৰ সহায়ত জ্যামিতিৰ প্ৰাথমিক ধাৰণা লাভ কৰিব<br><br>পাঠ্যপুথি (পৃষ্ঠা নং- 57) পাঠ্যপুথি (পৃষ্ঠা নং- 63)<br>তথ্যৰ উত্স: geometry-terms.png<br><br>পাঠ্যপুথি (পৃষ্ঠা নং-61) পাঠ্যপুথি (পৃষ্ঠা নং- 71) |
| ২য় দিন | ৩০ মিনিট | • ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ চৌপাশৰ পৰা কোণৰ আকাৰৰ বস্তু বিচাৰি, সেই একেখিনি বস্তুৰ চিত্ৰ অংকন কৰি বা ফটো উঠাই শিক্ষকৈ পঠিয়াব। (যেনে- ঘড়ী, আধা খোলা দুৱাৰ, মেজৰ দাঁতিকাষ ইত্যাদি)<br>• তেওঁলোকে পিছত দৈনন্দিন জীৱনত কোণৰ ব্যৱহাৰিক দিশৰ বিষয়ে লিখিব। | পাঠ্যপুথি (পৃষ্ঠা নং-68,69)<br>সমলৰ বাবে শিক্ষকে ছাত্ৰ-ছাত্ৰীক Diksha app ব্যৱহাৰ কৰিবলৈ উপদেশ দিব |
| | | | |

৪৫ মিনিট

**মূল্যায়ণ:**

- ছাত্ৰ-ছাত্ৰীয়ে জ্যামিতিক আকাৰ আৰু ৰেখাৰ চিত্ৰ আঁকি শিক্ষকক দেখুৱাব
- ছাত্ৰ-ছাত্ৰীয়ে তলৰ তালিকাখন সম্পূৰ্ণ কৰি তেওঁলোকৰ শিক্ষক/অভিভাৱকক দেখুৱাব

| **ত্ৰিভূজ** | **আকৃতি** | **সমান বাহুৰ সংখ্যা** | **কোণ** |
|---|---|---|---|
| সমবাহু ত্ৰিভূজ | | | |
| সমদ্বিবাহু ত্ৰিভূজ | | | |
| বিষমবাহু ত্ৰিভূজ | | | |
| **চতুৰ্ভূজ** | **আকৃতি** | **বাহুৰ সংখ্যা** | **সমান্তৰাল ৰেখাৰ সংখ্যা** |
| বৰ্গ | | | |
| আয়ত | | | |
| ৰম্বাছ | | | |
| সামন্তৰিক | | | |
| ট্ৰেপিজিয়াম | | | |

| সাধাৰণ বহুভূজ | আকৃতি | বাহুৰ সংখ্যা | কোণ |
|---|---|---|---|
| সমবাহু ত্ৰিভূজ | | | |
| বৰ্গ | | | |
| পঞ্চভূজ | | | |
| ষড়ভূজ | | | |
| অষ্টভূজ | | | |
| দশভূজ | | | |

Supported By:
TATA TRUSTS
*প্ৰস্তুতকৰ্তা:* চইফুল ইছলাম, আলিটাঙনী ছিনিয়ৰ মাদ্ৰাছা, নগাঁও, অসম; *সম্পাদনা:* শ্ৰাবন্তী বসাক, ITE Resource Team, TISS, মুম্বাই; *অনুবাদক:* নিতুমনি কলিতা, হিমাংশু লহকৰ, গ্ৰাম্য বিকাশ মঞ্চ, অসম